# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::

অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ধেমাজি জিলাৰ গাই নদী ফেনে ফোটোকাৰে বাঢ়িছে আৰু নৈখনৰ বাঢ়নি পানীয়ে জিলাখনৰ বৃহত্তৰ অঞ্চল জলমগ্ন কৰি তুলিছে। এই বানত ধেমাজিৰ পৰা বগীবিল সংযোগী আমগুৰি পথত থকা এখন পকী দলঙৰ এটা অংশ খহাই নিয়াত পথছোৱাৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। বানৰ ফলত জিলাখনৰ শ্ৰীপানী, নিলখ, বেতনিপাম আৰু আমগুৰি পঞ্চায়তৰ বৃহৎ অংশ জলমগ্ন হোৱাৰ লগতে সাপেখাটী, আটকাই, হাতীগড় আদি অঞ্চলৰ বৃহত্তৰ কৃষিভূমি জলমগ্ন হৈ পৰিছে। ইফালে, জোনাইতো ৰায়াং নদীৰ বানত নৈৰ এটা বান্ধ চিগি যোৱাৰ ফলত কেইবাখনো গাঁও বানৰ কবলত পৰে। দিখাৰী, গালি, ৰায়াং, ৰাজাখানা নৈৰ বানে ছিগা, ৰায়াং, বিজয়পুৰ, ৰামধন-দিখাৰী আৰু তেলাম গাঁও পঞ্চায়তৰ অন্তৰ্গত শতাধিক গাঁও প্লাৱিত কৰিছে।

০০০০

চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তত লাইমুঠিত আজি ভূমিহীন জনজাতীয় ৮৬২ গৰাকী লোকক ভূমি পট্টা প্ৰদান কৰা হয়। বিটিচি প্ৰশাসনৰ উদ্যোগত সীমান্তৰ ৩১ খন গাঁৱৰ এইসকল লোকক ভূমি অধিকাৰৰ প্ৰমান পত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত সাংসদ ৰণগৌৰা নাৰ্জাৰী, জয়ন্ত বসুমতাৰী, চিদলীৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম, বিটিচিৰ বন তথা ভূমি বিভাগৰ কাৰ্যবাহী সদস্য ৰণজিৎ বসুমতাৰী উপস্থিত থাকে। ৰণজিৎ বসুমতাৰীয়ে প্ৰকাশ কৰা মতে, বিটিআৰত জুলাই আৰু আগষ্ট মাহত বনভূমিত বাস কৰা ১৪ হাজাৰ লোকক ভূমিপট্টা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। চিৰাঙৰ মুঠ ১১৭ খন গাঁৱৰ ৰাইজক ভূমি পট্টা প্ৰদান কৰা হ'ব।

০০০০

ডিব্ৰুগড় জিলাৰ টেঙাখাট আৰক্ষী থানাৰ অন্তৰ্গত পিথু নগৰত আজি পুখুৰীত পৰি ৩ জন শিক্ষাৰ্থীৰ মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, দুপৰীয়া প্ৰায় বাৰ বজাত ২ নং বাছমতিয়া গ্ৰাণ্টৰ অতিত ভূমিজ, গীতা ভূমিজ আৰু পল্লবী ভূমিজে তেওঁলোকৰ ঘৰৰ ওচৰৰে এটা ৰাজহুৱা পুখুৰীত গা ধুবলৈ বুলি নামিছিল। কিন্তু সাতুৰিব নজনাৰ বাবে তেওঁলোক পুখুৰীত ডুব গৈ মৃত্যুক সাৱতি লয়।

ইফালে বৰপেটা জিলাৰ বিষ্ণুপুৰতো এজন যুৱকে আজি বিয়লি পুখুৰীত গা ধুবলৈ নামোতে পানীত ডুব লৈ মৃত্যুক সাৱতি লয়। মৃত্যু হোৱা যুৱকজনৰ নাম কুলৰঞ্জন পাঠক।

০০০০

নিউ বঙাইগাঁও ৰে'ল ষ্টেছনত আজি নামনিমুৱা ৰাজধানী এক্সপ্ৰেছৰ পৰা আৰক্ষীয়ে বুজন পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে ৩ জন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে জনোৱা মতে গাঞ্জাসমূহ দুটাকৈ পেকেট কৰি ৪ টা ট্ৰলিবেগত ভৰাই উত্তৰ প্ৰদেশলৈ নিয়াৰ পৰিকল্পনা কৰিছিল। কিন্তু আৰক্ষীয়ে নিয়মীয়া তালাচী চলাই ৭৫ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। গাঞ্জা সৰবৰাহকাৰী কেইজন হৈছে ওদালগুৰিৰ নৰ দাস, বাপ্পি সৰকাৰ আৰু সঞ্জয় সিং।

০০০০

বজালী জিলাৰ নিত্যানন্দত আজি এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত ছখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে এখন বিদ্যালয় আৰু এটা বাসগৃহ জাহ যায়। জানিব পৰা মতে আজি আবেলি নিত্যানন্দ বজাৰত চৌধুৰী এণ্টাৰপ্ৰাইজ নামৰ এখন দোকানত ছৰ্ট ছাৰ্কিটৰ ফলত জুইৰ সূত্ৰপাত ঘটে। পৰৱৰ্তী সময়ত এই জুই সমীপৰ আন আন স্থানলৈও বিয়পি যায়।

ঘটনাস্থলীত ৪ খনকৈ অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নিৰ্বাপন কৰে। অৱশ্যে এই অগ্নিকাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই।

০০০০

কামৰূপৰ বকো ৰাজহ চক্ৰত আজি দুটা সুকীয়া বজ্ৰপাতৰ ঘটনাত দুজন লোকে প্ৰাণ হেৰুৱাই আৰু ৩ জন লোক আহত হয়। বকো দিলিঙাগাঁৱত বজ্ৰপাতৰ ফলত নীলকমল দাস নামৰ এগৰাকী যুৱকে থিতাতে প্ৰাণ হেৰুৱায়। পুখুৰীপাৰ গাঁৱত বজ্ৰ পৰি কমল বড়ো নামৰ এজন লোকে মৃত্যুক সাৱতি লয়।

০০০০

কেন্দ্ৰীয় চৰকাৰে শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'ল তথা পথ দলং নিৰ্মাণত অনুমোদন জনাইছে। এহেজাৰ ৪৭৩ কোটি ৭৭ লাখ টকা ব্যয় সাপেক্ষে এই দলংখন আগিয়াঠুৰি-কামাখ্যা ৰেলপথৰ দ্বৈতকৰণৰ অংশ হিচাপে নিৰ্মাণ কৰা হব। উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ এখন বিজ্ঞপ্তি অনুসৰি এক দশমিক ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ষ্টীল কম্পোজিট গৰ্ডৰ দলঙখন নিৰ্মাণ কৰা হ'ব। দলঙখনৰ তলৰ অংশত দ্বৈত ৰে'লপথ আৰু ওপৰ অংশত পদপথৰ সৈতে ৩ টা লেনযুক্ত পথ থাকিব। এই দলঙখনৰ কাম সম্পূৰ্ণ হৈ উঠিলে আগিয়াঠুৰি-কামাখ্যা খণ্ডত ৰে'ল পথৰ সামৰ্থ অভূতপূৰ্বভাৱে বৃদ্ধি হ'ব। দলঙখনে অঞ্চলটোৰ ঔদ্যোগিক বিকাশত অৰিহণা যোগোৱাৰ লগতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কলাক্ষেত্ৰ সমাজৰ উদ্যোগত আয়োজিত অসমৰ নৃগোষ্ঠীয় সংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানটি আজি সন্ধিয়া মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। কৰ্মশালাত অংশগ্ৰহণ কৰা জনগোষ্ঠীয় প্ৰশিক্ষাৰ্থীসকলে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত এটি বৰগীতেৰে সাংস্কৃতিক কাৰ্যসূচীৰ পাতনি মেলে। বৰ্ণময় অনুষ্ঠানটোত ডালু, টাইখামিয়াং, ৰাংখল আৰু জেমি নগা জনগোষ্ঠীৰ প্ৰশিক্ষাৰ্থীসকলে বিভিন্ন লোকনৃত্য প্ৰদৰ্শন কৰে।

০০০০

যোৰহাটত আজি অসম গণ পৰিষদৰ ভাতৃ সংগঠন যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত মন্ত্ৰী কেশৱ মহন্ত আৰু অতুল বৰাই অংশগ্ৰহণ কৰি কয়, যে ঐতিহাসিক অসম আন্দোলনৰ ফলশ্ৰুতিত অসম গণ পৰিষদৰ জন্ম হৈছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ